**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-03-2026 **Time :** 1100 Hrs

***Assamese Morning Bulletin***

-------------------------------

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত আজি গুৱাহাটীৰ লাচিত ঘাটত ব্ৰহ্মপুত্ৰ দীপস্তম্ভৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰা হ'ব। নদী পৰ্যটনৰ সৰলীকৰণ আৰু বহনক্ষম বিকাশ নিশ্চিত কৰাৰ লক্ষ্যৰে তথা ৮৪ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰিবলৈ লোৱা এই প্ৰকল্পই বগীবিল, পাণ্ডু, বিশ্বনাথ ঘাট আৰু শিলঘাটক সামৰি ল'ব। এই দীপস্তম্ভই ব্ৰহ্মপুত্ৰৰে সুৰক্ষিত আৰু নিৰৱচ্ছিন্ন জাহাজ চলাচল, ৰাষ্ট্ৰীয় জলপথ-২ৰ যাত্ৰী আৰু মালবাহী জাহাজৰ চলাচল বৃদ্ধি, প্ৰমোদতৰী পৰ্যটন তথা স্থানীয় উদ্যমিতাৰ প্ৰসাৰ, কৰ্মসংস্থাপন সৃষ্টি আদি সুনিশ্চিত কৰিব। আজিৰ এই আধাৰশিলা স্থাপন কাৰ্যসূচীত অসম চৰকাৰৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, জয়ন্ত মল্লবৰুৱা আৰু চৰণ বড়োৰ লগতে সাংসদ বিজুলী কলিতা মেধি তথা বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যও উপস্থিত থকাৰ কথা। ০০০০০০০০

ৰাজ্যসভা নিৰ্বাচনৰ বাবে মনোনয়ন দাখিলৰ আজি অন্তিম দিন। অসমৰ খালী হ'বলগীয়া ৩ খন আসনৰ ভিতৰত দুখনৰ বাবে বিজেপিৰ তেৰছ গোৱালা আৰু যোগেন মহনে আজি মনোনয়ন দাখিল কৰিব বুলি জানিব পৰা গৈছে। অৱশ্যে তৃতীয়খন আসনৰ বাবে এই পৰ্যন্ত প্ৰাৰ্থীৰ নাম চূড়ান্ত কৰা হোৱা নাই। বিৰোধী পক্ষইও প্ৰাৰ্থী সন্দৰ্ভত কোনো কথা স্পষ্ট কৰা নাই।

উল্লেখযোগ্য যে ১৬ মাৰ্চত অসমসহ অন্যান্য ৰাজ্যত খালী হ'বলগীয়া ৰাজ্যসভাৰ আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। ০০০০০০০০

কংগ্ৰেছ দলৰ তিনিগৰাকী বিধায়কে আজি বিজেপিত যোগদান কৰে। বশিষ্ঠৰ অটল বিহাৰী বাজপেয়ী ভৱনত আয়োজিত অনুষ্ঠানত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ লগতে অন্যান্য শীৰ্ষ নেতাৰ উপস্থিতিত ৰহাৰ বিধায়ক শশীকান্ত দাস, মঙ্গলদৈৰ বিধায়ক ৰমাকান্ত দাস আৰু উত্তৰ কৰিমগঞ্জ সমষ্টিৰ বিধায়ক কমলাক্ষ দে' পুৰকায়স্থই দলটোত যোগ দিয়ে। ০০০০০০০

ধেমাজিত আজি কিছু সময়ৰ পাছতে বিজেপিয়ে জন আশীৰ্বাদ যাত্ৰা আৰম্ভ কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কাৰ্যসূচীত অংশ ল'ব। গোগামুখৰ পৰা এই যাত্ৰা ধেমাজি, চিচিবৰগাঁও হৈ জোনাই বিধানসভা সমষ্টিত অন্ত পৰিব। মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে উন্নয়ন, সু-শাসন আৰু জনকল্যাণৰ ধাৰা অব্যাহত ৰখাৰ বাবে এই যাত্ৰাত সকলো নাগৰিকক অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

জন আশীৰ্বাদ যাত্ৰাৰ পৰিপ্ৰেক্ষিতত ধেমাজি আৰক্ষীয়ে যান-বাহন চলাচলৰ ক্ষেত্ৰত কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। ০০০০০০০

বিটিচি পৰিষদীয় চৰকাৰৰ ৫খন নিশ্চয়তা আঁচনিৰ অধীনত কালি জিলাখনৰ চালাকাটি আৰু দেৱৰগাওঁ সমষ্টিত যোগ্য হিতাধিকাৰী সকলক চেক বিতৰণ কৰা হয়। এই অনুষ্ঠানত কেইবাটাও খিলঞ্জীয়া পৰিয়ালক ভূমি

পট্টা বিতৰণ কৰা হয়। তদুপৰি মহিলা আত্মসহায়ক গোটক ১৫ হাজাৰ টকাকৈ আৰ্থিক সাহায্য, জেষ্ঠ্য নাগৰিকক ১০ হাজাৰ টকাকৈ চেক আৰু নিবনুৱা যুৱক-যুৱতীক স্বাৱলম্বী হোৱাত সহায় কৰাৰ বাবে ২ লাখকৈ টকাৰ সাহায্য প্ৰদান কৰা হয়। এই অনুষ্ঠানতে বিশেষ ভাৱে সক্ষম লোকক ১০ হাজাৰ টকাকৈ আৰ্থিক সাহায্য বিতৰণ কৰা হয়। অনুষ্ঠানত দিয়া ভাষণত বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে বিটিআৰৰ সৰ্বাত্মক বিকাশ আৰু তৃণমূল পৰ্য্যায়ৰ পৰা উন্নয়ন নিশ্চিত কৰাৰ বাবে পৰিষদীয় চৰকাৰ বদ্ধপৰিকৰ বুলি উল্লেখ কৰে। ০০০০০০০

নাহৰকটীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত মেৰবিল গাঁও পঞ্চায়তৰ নখটীয়া সোণোৱাল গাঁৱৰ নৱনিৰ্মিত খ্ৰীং খ্ৰীং বাইথ' দেৱতাৰ আদৰণি তোৰণ কালি বিধায়ক তৰংগ গগৈয়ে মুকলি কৰে। বিধায়কগৰাকীয়ে পাঁচ লাখ টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া ন-পমুৱা চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহৰ আধাৰশিলা স্থাপন কৰে। তেওঁ মিলিজুলি থান আৰু ডাঙৰীয়া বাবা থানলৈ অসম দৰ্শন আঁচনিৰ অধীনত মুঠ ৩ লাখ টকাৰ সাহায্যৰ প্ৰথম কিস্তি হিচাপে ডেৰ লাখ টকাৰ চেক বিতৰণ কৰে। সোণোৱাল-কছাৰী জনগোষ্ঠীৰ ঐতিহ্য আৰু খ্ৰীং খ্ৰীং বাইথ' পূজাৰ পৰম্পৰা অক্ষুণ্ণ ৰখাৰ লগতে ধৰ্মীয় স্থানসমূহৰ সংৰক্ষণ আৰু সামাজিক সম্প্ৰীতি অটুট ৰখাৰ দিশত এই পদক্ষেপে সহায় কৰিব বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০

লখিমপুৰ জিলাৰ মুদৈবিলৰ সোঁৱণশিৰিৰ পাৰত কালিৰেপৰা পাঁচদিনীয়াকৈ মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত উৎসৱ পঃৰাগ অনুষ্ঠিত হৈছে। উৎসৱক কেন্দ্ৰ কৰি অঞ্চলটোত উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। কালি পুৱা পতাকা উত্তোলনেৰে উৎসৱৰ শুভাৰম্ভ কৰাৰ পাছত স্মৃতি তৰ্পণ আৰু স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়। ইয়াৰ পাছত ৰজাঘৰীয়া আদৰণি, মুৰংঘৰ উদ্বোধন আৰু গৃহ আদৰণি সম্পন্ন হয়। মিচিং ডেকা-গাভৰুসকলে গুমৰাগ নৃত্যৰ তালে তালে নিমন্ত্ৰিত অতিথিসকলক আদৰণি জনায়। আজি পুৱা গুমৰাগ নৃত্যৰে পৰম্পৰাগত মাংগলিক কাৰ্য অনুষ্ঠিত হৈছে। উৎসৱ উপলক্ষে দূৰ-দূৰণিত থকা জনগোষ্ঠীটোৰ বহু লোক সমবেত হৈছে।

০০০০০০০

২০২১ চনৰ পৰা বৰ্তমানলৈকে ৰাজ্যখনত মেধাৰ ভিত্তিত এক লাখ ৫৮ হাজাৰ ৩৮০ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ বিতৰণ কৰা হৈছে। ২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ জৰিয়তে অসম অসামৰিক সেৱা আৰু অন্যান্য সংলগ্ন সেৱাৰ বাবে নিৰ্বাচিত ২৮৪ গৰাকী প্ৰাৰ্থী আৰু ফৰেণচিক বিজ্ঞান সঞ্চালকালয়ত বৈজ্ঞানিক বিষয়া হিচাপে নিৰ্বাচিত পাঁচগৰাকী প্ৰাৰ্থীক কালি নিযুক্তি পত্ৰ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে।

০০০০০০০

**সমাপ্ত**